ISSN 2349-5324

গৰীয়সী

ত্রিংশ বছৰ ● সপ্তম সংখ্যা ● মে', ২০২৩



কেনে আছে আমাৰ শিলালিপিবোৰ ?

গবীয়সী

ত্রিংশ বছৰ □ সপ্তম সংখ্যা □ মে', ২০২৩

সম্পাদকীয় ঃ খোদাই কৰা প্ৰাচীন আখৰবোৰ ঃ পাঠোদ্ধাৰ আৰু সংৰক্ষণ □ ৪
শব্দৰ সাঁকো— পাঠকৰ মতামত □ ৬

প্ৰচ্ছদ কাহিনী
কেনে আছে আমাৰ শিলালিপিবোৰ? ঃ
পুলিন কলিতা □ ৭-১১
প্ৰত্নলেখত প্ৰাচীন অসম ঃ
ভাস্কৰ বৰদলৈ □ ১২-১৭
সংগ্ৰহালয়ত সঞ্চিত শিলালিপিৰ কিছু কথা ঃ
অবন্তিকা পৰাশৰ □ ১৮-২২

নিবন্ধ
নগেন শইকীয়াৰ অনন্য সৃষ্টি 'মিতভাষ' ঃ ড° মলয়া খাওন্দ □ ২৩-২৭
হেম বৰুৱাৰ কবিতাৰ ভিন্ন দিশ ঃ ড° অৰ্চনা পূজাৰী □ ২৯-৩৩
অসমত শৈৱধৰ্মৰ পৰম্পৰা আৰু তুলসীমুখৰ বুঢ়াগোসাঁই থানৰ ঐতিহ্য ঃ কুমাৰ বিভূতি □ ৩৪-৩৬

কবিতা
কৰবী ডেকা হাজৰিকা, ভূষণ কলিতা, ডাঃ অগস্ত্য বৰুৱা, গুণাৰাম শইকীয়া, ড° যতীন কোঁৱৰ, ড° যতীন্দ্ৰ কুমাৰ চৌধাৰী, ড° মোৱশেদুজ জামান, ড° বিভূতি লোচন শৰ্মা, ড° সুৰাগ মণি, ড° চিত্তৰঞ্জন দাস, দীপাঞ্জন কাশ্যপ, বিভাৰাণী তালুকদাৰ, মানসী গগৈ, ব্ৰজেন মেধি, অন্তৰীপ কাকতি, ৰাশ্বেল চৌধুৰী, নৱজ্যোতি শইকীয়া, চামচুল বাৰিক, কিশোৰ দাস কোঁৱৰ □ ৩৭-৪৩

গৱেষণা-পত্ৰ
মাতৃভাষাৰ গুৰুত্ব আৰু মিচিং ভাষা শিক্ষাৰ সাম্প্ৰতিক স্থিতি ঃ
ড° বিজয়কৃষ্ণ দলে □ ৪৪-৪৯

গল্প
নিৰ্বাণ ঃ উষা বৰকটকী □ ৫০-৫৪
আবৃত ঃ খনিন্দ্ৰ ভূষণ মহন্ত □ ৫৫-৫৭
কচাই ঃ ড° বীতা মণি বৰা □ ৫৮-৫৯
চক্ৰৱৎ ঃ মুনমী দত্ত হাজৰিকা □ ৬০-৬২

সামাজিক মাধ্যম ঃ নতুন কণ্ঠ
টাবুক-দ্য হাইৱে থ্ৰী নাইন্টি ফ'ৰ ঃ
জয়শ্ৰী □ ৬৩-৬৬

স্মৰণ ঃ ড° টেমচুলা আও
এগৰাকী বিদুষী মহিলাৰ স্মৃতিত ঃ
ড° অভিজিত কুমাৰ দত্ত □ ৬৭-৬৮
কথা-কবিতা ঃ এসময়ত এখন দেশত... ঃ
গায়ত্ৰী দেৱী বৰঠাকুৰ □ ৬৮

গ্ৰন্থ-সমালোচনা
উত্তৰ-আধুনিকতাবাদী উপন্যাস সমালোচনা ঃ
ড° আনন্দ বৰমুদৈ □ ৬৯-৭১
নীলকান্ত শইকীয়াৰ 'নৈতিক-অনৈতিক' পঢ়ি ঃ
উদয় কুমাৰ শৰ্মা □ ৭২
অভিজিৎ বৰাৰ 'ডেউকা কোবাই যায়' ঃ সমাজ বাস্তৱতাৰ পটভূমি ঃ বিশ্বজীৎ সোণোৱাল □ ৭৩-৭৪

অভিজ্ঞতা
বিলাত যাত্ৰা ঃ পৰমানন্দ মহন্ত □ ৭৫-৮০

সাক্ষাৎকাৰ
ক্লাছিক, কেনন, এট অল (et al) ঃ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ ৰাজনীতি-তত্ত্বৰ প্ৰবক্তা প্ৰতাপ ভানু মেহতাৰ দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ উন্মীলন কলিতাৰ সৈতে কথোপকথন □ ৮১-৮৩

অনূদিত ধাৰাবাহিক উপন্যাস
সাগৰ তীৰত কাফকা ঃ মূল ঃ হাৰুকি মুৰাকামি ঃ অনুবাদ ঃ দিলীপ বৰা □ ৮৪-৮৯

ধাৰাবাহিক উপন্যাস
ৰূপৰ ধোঁৱা খোৱা
সোণৰ ধোঁৱা খোৱা ঃ নন্দিতা দেৱী □ ৯০-৯৫

বিষয় ঃ গ্ৰন্থ ঃ সমীন্দ্ৰ ডেকা □ ৯৬

প্ৰচ্ছদৰ আলোকচিত্ৰ ঃ পুলিন কলিতা
প্ৰচ্ছদ পৰিকল্পনা ঃ মুকুল মাধৱ বৈশ্য :: অলংকৰণ ঃ প্ৰদীপ নাথ

সম্পাদক ঃ ড° বীতা চৌধুৰী

সাহিত্য-প্ৰকাশ
ট্ৰিবিউন ভৱন, গুৱাহাটী - ৭৮১ ০০৩
ফোন ঃ ০৩৬১-২৬৬০১০২, ২৬৬১৩৫৯-৬০
মূল্য ঃ ৩০.০০ টকা

GARIYOSHI
A Monthly Assamese Magazine

VOL. XXX, Issue No. 7
MAY, 2023, Pages 96
Sahitya-Prakash,
Tribune Buildings, Guwahati-781 003
Phone : 0361-2660102, 2661359-60
E-mail : gariyoshi.assam@gmail.com
Price : Rs. 30.00

সাহিত্য-প্ৰকাশৰ হৈ অসীম কুমাৰ ডেকাৰ দ্বাৰা প্ৰকাশিত আৰু ট্ৰিবিউন প্ৰেছ, গুৱাহাটী-৩ ত মুদ্ৰিত



গন্ধকৰৈ শিলালিপি
ছবিৰ কৃতজ্ঞতা ঃ ডিব্রুগড় জিলা সংগ্রহালয়

প্রত্নলিপিৰ সত্য খোদিত আখৰ

সংগ্রহালয়ত সঞ্চিত শিলালিপিৰ কিছু কথা

অবন্তিকা পৰাশৰ

লিপি অর্থাৎ আমি কোৱা ভাষাৰ লিখিত ৰূপ। বহু শ, হাজাৰ বছৰ আগতে যেতিয়া লিখন সঁজুলি (আজিৰ দৰে) নাছিল, তেতিয়া শিল, ধাতু, হাড়, মাটিৰ ফলি (Clay Plate) আদিৰ দৰে টান বস্তুত প্রয়োজনীয় কথাবোৰ লিখি (খোদাই কৰি) থোৱা হৈছিল। এনেদৰে শিলত লিখা হোৱা লিপিসমূহক শিলালিপি (Stone Inscription) আৰু তামৰ দৰে ধাতুত লিখা হোৱা লিপিসমূহক তাম্রলিপি (Coperplate Inscription) বোলা হয়। উপৰিউক্ত লিখন সামগ্রীসমূহৰ ভিতৰত এই দুবিধেই এতিয়ালৈকে অসমত সর্বাধিক সংখ্যাত উদ্ধাৰ হৈছে।

লিপিৰ জন্ম কেতিয়া, কেনেকৈ হৈছিল সেয়া উত্তৰবিহীন জটিল প্রশ্ন। মানৱ সম্প্রদায়ৰ বৌদ্ধিক বিকাশ ঘটি জীৱশ্রেষ্ঠৰ অভিধা পোৱাৰ এক অন্যতম কাৰক হ'ল লিপিৰ জন্ম আৰু ক্রমবিকাশ। যদিওবা বৈজ্ঞানিক অধ্যয়নৰ দ্বাৰা এই বিষয়ক ন ন তথ্য নিতৌ প্রকাশ হ'ব লাগিছে, তথাপি এয়া ঈশ্বৰৰ সৃষ্টি বোলা লোকবিশ্বাস এটাও সমান্তৰালকৈ পৃথিৱীৰ বিভিন্ন দেশত আছে। ভাৰতত যেনেদৰে ব্রহ্মাক লিপিৰ সৃষ্টিকর্তাৰ অভিধা দিয়া হয়, তেনেদৰে চীনা লিপিক ভগৱান ৱেনচাং (Wenchung), আয়াৰলেণ্ডৰ লিপিক ওঘামা (Oghama), ৰোমান লিপিক বুধ (Mercury), মিছৰৰ লিপিক থথ্ (Thoth), ইজৰাইলৰ লিপিক জেহোভা (Jehovah), গ্রীক লিপিক হার্মিছ (Hermis), ফিনিছ লিপিক কেডমাছ (Cedmus), বেবিলনৰ লিপিক নেবু (Nebu) আৰু ছুমেৰীয় লিপিক এনলিন (Eenlin) নামৰ ভগৱানৰ দান বুলি কোৱা হয়।

বৈজ্ঞানিক অধ্যয়নৰ দ্বাৰা এয়া অনুধাৱন কৰা হৈছে যে ছবিৰে লিখন পদ্ধতি (Pictorial Writings) হৈছে লিপিৰ আদিতম ৰূপ। এতিয়ালৈকে উদ্ধাৰ হোৱা প্রত্নতাত্ত্বিক সমলৰ ভিত্তিত মেছ'পটেমিয়াতেই সর্বপ্রথম লিপিৰ বিকাশ হৈছিল বুলি কোৱা হয়। একেদৰে ভাৰতৰ প্রথম লিপি বুলিলে হৰপ্পা সভ্যতাৰ লিপিলৈ আঙুলিয়াই দিব পাৰি যদিওবা এতিয়ালৈকে ইয়াৰ আনুষ্ঠানিক পাঠোদ্ধাৰ হোৱা নাই। পাঠোদ্ধাৰ হোৱা, ভাৰতৰ সবাতোকৈ পুৰণি শিলালিপি হ'ল সম্রাট অশোকৰ শিলালেখসমূহ। অসমৰ ক্ষেত্রত গোলাঘাটৰ পৰা উদ্ধাৰ হোৱা নগাজৰি খনিকৰ গাঁৱৰ শিলালিপি (চতুর্থ শতিকা) এতিয়ালৈকে উদ্ধাৰ তথা পাঠোদ্ধাৰ হোৱা সবাতোকৈ প্রাচীন শিলালিপি।

ইতিহাস অধ্যয়নৰ বাবে লিপি অধ্যয়নৰ প্রাসংগিকতা কি, সেয়া কৈ শেষ কৰিব নোৱাৰি। পাৰ হৈ অহা সময়খিনি জানিবলৈ আৰু বুজিবলৈ শিলালিপি বা তাম্রলিপি ইত্যাদি সবাতোকৈ নির্ভৰযোগ্য সমল। অসমো উভয়ৰে ক্ষেত্রত খুবেই চহকী আৰু ৰাজ্যখনৰ চুকে-কোণে সিঁচৰতি হৈ থকা এনে লিপিৰ সংখ্যা সহস্রাধিক হ'ব। ইয়াৰ ভিতৰত তাম্রলিপিৰ সংখ্যাই অৱধাৰিতভাৱে গৰিষ্ঠ। সেয়ে তাম্রলিপিসমূহক আছুতীয়াকৈ থৈ, এই লেখাটিত অসমৰ চৰকাৰী খণ্ডৰ সংগ্রহালয়সমূহত সংৰক্ষিত হৈ থকা কেইখনমান গুৰুত্বপূর্ণ শিলালিপিৰ কথা আলোচনা কৰা হ'ল।

১৯৪০ চনত গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত স্থাপন হোৱা অসম ৰাজ্যিক সংগ্রহালয় কেৱল মাত্র অসমতেই নহয়, ভাৰতৰ ভিতৰতো এটা লেখত ল'বলগীয়া সংগ্রহালয়। কেইবাহাজাৰ আপুৰুগীয়া সম্পদ সংৰক্ষণ কৰি ৰখা এই সংগ্রহালয়টো অসম চৰকাৰৰ সংগ্রহালয় সঞ্চালকালয়ৰ নিয়ন্ত্রণাধীন আৰু ইয়াৰ লগতে সংযুক্ত হৈ আছে ১৪টা জিলা আৰু খণ্ড পর্যায়ৰ সংগ্রহালয়, যি অসমৰ ভিন ভিন জিলাত সিঁচৰতি হৈ আছে। প্রত্নতাত্ত্বিক সমলৰ ক্ষেত্রত খুবেই চহকী এই সংগ্রহালয়টোত সংৰক্ষিত হৈ থকা ছখন তুলনামূলকভাৱে কম খ্যাত শিলালিপিৰ ওপৰত আলোকপাত কৰিবলৈ প্রয়াস কৰা হ'ল—

১) গন্ধকৰৈ শিলালিপি
সময় ঃ ৬৪১ শক অথবা ৭১৯ খ্ৰীষ্টাব্দ
পাঠোদ্ধাৰ ঃ ভাস্কৰ বৰদলৈ
স্থান ঃ জিলা সংগ্ৰহালয়, ডিব্ৰুগড়

গোলাঘাট জিলাৰ সৰুপথাৰ অঞ্চলৰ গন্ধকৰৈ নামৰ গাঁওখনৰ পৰা ২০১৫ চনৰ ১৭ মাৰ্চ তাৰিখে এই লিপিখন উদ্ধাৰ কৰা হৈছিল। সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা সত্যব্ৰত দত্ত আৰু অসম প্ৰশাসনিক সেৱাৰ বিষয়া অংকুৰ ভৰালীৰ তত্ত্বাৱধানত উদ্ধাৰ হোৱা লিপিখন একে বছৰতে জিলা সংগ্ৰহালয়, ডিব্ৰুগড়লৈ স্থানান্তৰিত কৰা হয়। ১২টা শাৰীযুক্ত ৭৬ চে.মি. দীঘল আৰু ৩০ চে.মি. বহল ডিম্বাকৃতিৰ লিপিখনৰ সোঁফালৰ ওপৰৰ কোণটো ভগা আৰু শিলছটা বালিশিল। ভাষা প্ৰাচীন অসমীয়া (অষ্টম শতিকাৰ অসমৰ প্ৰাকৃত) আৰু পাঠোদ্ধাৰ অনুসৰি জাৰি কৰা সময় অষ্টম শতিকাৰ দ্বিতীয় দশক।

গন্ধকৰৈ শিলালিপি এখন বিজয় লিপি (Victory Inscription)। অৰ্থাৎ তদানীন্তন শাসকে যুদ্ধজয়ৰ খবৰ জাউতিযুগীয়া কৰিবলৈ এইখন লিপি তৈয়াৰ কৰিছিল। ইয়াত 'ভগদত্ত' বংশীয় 'সদ্যৰম্যক' নামৰ এজন নৃপতিয়ে 'দিল্লি' নামৰ ৰাজ্যৰ শাসকক পৰাস্ত কৰাৰ কথা বৰ্ণিত হৈ আছে। ৰজা সদ্যৰম্যকক শত্ৰু ক্ষয়ংকৰী, মহাশক্তিশালী, বলবান, মৰমিয়াল, জীয়াই থকাৰ পথ প্ৰদৰ্শক তথা (এই যুদ্ধত পৰাভূত হৈ) এই বংশৰ অধীন হৈ পৰা বন্দীসকলৰ খাদ্য-চিকিৎসা আৰু চলা-ফুৰাৰ প্ৰতি মৰমিয়াল আছিল বুলি লিপিখনত উল্লেখ আছে।

এই শিলালিপিখনৰ মন কৰিবলগীয়া কথাকেইটা হৈছে—'সদ্যৰম্যক' নামৰ ৰজাজন (চতুৰ্থ শাৰী), 'দিল্লি'ৰ পৰা হোৱা আক্ৰমণ (দ্বিতীয় শাৰী) আৰু 'কামৰূপ' নামৰ উল্লেখ (নৱম শাৰী)। সদ্যৰম্যক নামটোক লৈ ইতিহাস নিমাত। এতিয়ালৈকে অসমৰ শাসক হিচাপে পোৱা ৰজাসকলৰ নামৰ যি সাধাৰণ গঠন, তাতকৈ এইটো নাম পৃথক। তেন্তে সদ্যৰম্যক কোন? কোনো এটা নিৰ্দিষ্ট অঞ্চল শাসন কৰি থকা কোনো প্ৰান্তীয় শাসক নে কোনোবা চিনাকি ৰজাৰ পোছাকী বা গুপ্ত নাম! লিপিখনৰ আৰম্ভণিতে 'ভগদত্ত বংশজ' শব্দাংশৰ ব্যৱহাৰ, এই অঞ্চলৰ পৰাই উদ্ধাৰ হোৱা আন আন শিলালিপিৰ সৈতে থকা চাৰিত্ৰিক সাদৃশ্য তথা নৱম শাৰীত 'কামৰূপ' নামটোৰ উল্লেখে (...কামৰূপলৈ অহাসকলেও পায় সুশাসন...), লিপি জাৰি কৰা শাসকৰ মূল বৰ্মন বংশৰ দূৰণিবটীয়া ঠাল-ঠেঙুলিকেই সূচায় যদিও, এই বিষয়ে আৰু গভীৰ গৱেষণাৰ প্ৰয়োজন। আকৌ, ইয়াত উল্লিখিত 'দিল্লি' কি? এতিয়াৰ 'দিল্লী' হোৱাৰ কিবা সম্ভাৱনা আছে নেকি? নে এয়া দিলিহ বা দিলিহি (ডিব্ৰুং নৈৰ প্ৰাচীন নাম) নৈক কেন্দ্ৰ কৰি গঢ়ি উঠা কোনো ৰাজ্য? লখিমপুৰ জিলাত উদ্ধাৰ হোৱা পথালিপাহাৰ শিলালিপিত ৰজা দিগ্গেক বৰ্মনক যিখন 'দিল্লি' ৰাজ্যৰ ৰজা বুলি কোৱা হৈছে, সেইখন আৰু এইখন দিল্লি একেনে? যদি একে আছিল, তেন্তে 'ভগদত্ত' বংশোদ্ভৱ এই ৰাজ্যখনৰ বিস্তৃতি কি আছিল? উল্লিখিত জয়-পৰাজয় কোনো গৃহযুদ্ধৰ ফলাফল আছিল নেকি? এই প্ৰশ্নবোৰৰ উত্তৰে নিশ্চয়কৈ অসমৰ অন্ধকাৰত ডুব গৈ থকা এটা সময়ৰ ইতিহাসক গতি প্ৰদান কৰিব।

২) পথালিপাহাৰ শিলালিপি

লখিমপুৰৰ জিলাৰ নাৰায়ণপুৰৰ অৰুণাচল প্ৰদেশ সীমান্তৰ পথালিপাহাৰত অৱস্থিত শংকৰদেৱ মহাবিদ্যালয়ৰ চৌহদ বহল কৰিবলৈ মাটি কাটি থকা অৱস্থাত ২০১০ চনৰ ২৩ এপ্ৰিল তাৰিখে এই লিপিখন উদ্ধাৰ হয়। বৰষুণৰ বাবে মাটিৰ মাজৰ পৰা ওলাই থকা শিলটো মহেন্দ্ৰ হাজৰিকা নামৰ এজন যুবকে প্ৰত্যক্ষ কৰি খুবলি কৰিবলৈ বুলি চাফা কৰি থাকোঁতে আখৰ লিখা থকা দেখি ওচৰৰে শিৱ মন্দিৰ এটাত থোৱাৰ ব্যৱস্থা কৰে আৰু তাৰ পৰাই প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ উদ্যোগত ইয়াক জিলা সংগ্ৰহালয়, যোৰহাটলৈ স্থানান্তৰিত কৰা হয়।

বালি-শিল (Sand-Stone)ৰ দুয়োটা পিঠিতে আখৰ থকা এই শিলালেখখনৰ ভাষা প্ৰাচীন অসমীয়া আৰু হস্তলিপিতত্ত্ব (Paleography) অনুসৰি ইয়াৰ আনুমানিক সময় অষ্টমৰ পৰা নৱম শতিকা। লিপিখনত 'দিল্লি' নামৰ ৰাজ্যৰ ভগদত্ত বংশজাত দিঘলেক বৰ্মন নামৰ এজন নৃপতি আৰু 'চম্পাদেৱী' নামৰ এগৰাকী ৰাণীৰ কথা উল্লেখ আছে। খ্ৰীষ্টীয় অষ্টম-নৱম শতিকাতেই এগৰাকী মহিলাই অধিকৰ্ত্ৰী বা ৰাজপ্ৰতিনিধি হিচাপে ৰাজ্য শাসন কৰাৰ তথ্যটো এই লিপিখনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অংশ। কিয়নো এই তথ্যই (এতিয়ালৈকে উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক সমলৰ ভিত্তিত), ৰাণী চম্পাদেৱীক অসমৰ প্ৰথম মহিলা শাসক হিচাপে চিহ্নিত কৰাৰ লগতে (এতিয়ালৈকে) ভাৰতৰ প্ৰথম মহিলা শাসক হিচাপে আনুষ্ঠানিকভাৱে স্বীকৃত চুলতানা ৰেজিয়াতকৈ কেইবা শ বছৰ জ্যেষ্ঠা (চুলতানা ৰেজিয়াই ১২৩৬ খ্ৰীঃ ৰাজপাটত বহিছিল) বুলি প্ৰতিষ্ঠা কৰে। এই তথ্যই তেওঁক ভাৰতৰ প্ৰথমগৰাকী মহিলা শাসক হোৱাৰ সম্ভাৱনীয়তাও নুই কৰিব নোৱাৰি। তদুপৰি একেখন লিপিৰে দুপিঠিত দুজন বেলেগ বেলেগ শাসকৰ শাসনকালৰ বৰ্ণনা থকাৰ উদাহৰণ খুবেই বিৰল। উল্লেখ্য যে, ইয়াত থকা 'দিল্লি' ৰাজ্যখন ডিব্ৰুং নৈৰ আশে-পাশে অৱস্থিত আছিল বুলি ড° নিত্যানন্দ গগৈয়ে মত পোষণ কৰিছে। লিপিখনত প্ৰতিমাযুক্ত

পথালিপাহাৰ শিলালিপি
সময় ঃ অষ্টম-নৱম শতিকা
পাঠোদ্ধাৰ ঃ নিত্যানন্দ গগৈ, ভাস্কৰ বৰদলৈ
স্থান ঃ জিলা সংগ্ৰহালয়, যোৰহাট



ছবিৰ কৃতজ্ঞতা ঃ জিলা সংগ্ৰহালয়, যোৰহাট

শনিদেৱ, বাসুদেৱ, নৱগ্ৰহ, শিৱ-কৃষ্ণ আদি বিভিন্ন মঠ-মন্দিৱ থকাৰ লগতে জীৱ-জন্তু, ভোকাতুৰ মানুহক খাদ্য যোগান ধৰাৰ আকৰ্ষণীয় বৰ্ণনা আছে।

তিনিটা কথাৰ কাৰণে পথালিপাহাৰ শিলালিপিখন গুৰুত্বপূৰ্ণ—

১) ৰাণী চম্পাদেৱীৰ উল্লেখ

২) অসম-অৰুণাচল সাঙুৰি গঢ় লোৱা প্ৰাচীন ইতিহাসৰ সমল আৰু

৩) বিস্তাৰিত ৰাজনৈতিক বৰ্ণনা

লিপিখনত ৰাজবংশ, ৰাজ্য আৰু তিনিটা প্ৰজন্মৰ শাসনকৰ্তাৰ নাম (নৃপতি মিৰু আৰু তেওঁৰ পুত্ৰ দিঘ্‌লেক বাৰ্মা তথা চম্পাদেৱী) যিদৰে উল্লেখ কৰা হৈছে, সেয়া অসমৰ আন কোনো শিলালিপিতেই এতিয়ালৈকে পোৱা হোৱা নাই। ইয়াত উল্লেখ থকা দেৱ-দেৱী তথা আনুষংগিক ধৰ্মীয় ৰীতি-নীতিয়ে পূৰ্ণ হিন্দু ধৰ্ম (Matured Hinduism)ৰ সম্পূৰ্ণ প্ৰভাৱৰ কথা সূচায়। একেদৰে দান-দক্ষিণা তথা ৰাজ্যাভিষেকৰ বিস্তৃত বৰ্ণনাই



ছবিৰ কৃতজ্ঞতা ঃ জিলা সংগ্ৰহালয়, যোৰহাট

ৰাজ্যখনৰ বিত্তীয় সামৰ্থ্য তথা বৌদ্ধিক দূৰদৰ্শিতাৰ উমান দিয়ে। প্ৰকৃততে লিপিখনৰ লগতে উদ্ধাৰ হোৱা এটা গাঁথনিয়ে ইয়াত এখন পূৰ্ণ ৰাজ্যৰ স্থিতিৰ কথা কয়। আকৌ যোগিনীতন্ত্ৰত এতিয়াৰ বিশ্বনাথৰ উত্তৰাংশক 'চম্পকাৰণ্য' বুলি উল্লেখ কৰা কথাটো ৰাণী চম্পাদেৱীৰ নামৰ সৈতে জড়িত (ৰাজ্য বা চহৰৰ নাম?) বুলি ড° নিত্যানন্দ গগৈয়ে মত পোষণ কৰিছে।

শিলালিপিখনৰ আন এটা চিন্তনীয় প্ৰসংগ হ'ল জিলা সংগ্ৰহালয়, ডিব্ৰুগড়ত থকা গন্ধকৰৈ শিলালিপিৰ সৈতে থাকিব পৰা সম্পৰ্কৰ সম্ভাৱনীয়তা। গন্ধকৰৈত উল্লেখ থকা পৰাজিত 'দিল্লি' পথালিপাহাৰত উল্লিখিত 'দিল্লি' নেকি? যদিহে হয়, তেন্তে এক বংশীয় (ভগদত্ত) দুটা ঠেঙুলিৰ মাজত হোৱা যুদ্ধৰ কথা শিলালিপি দুখনত উল্লেখ আছে নেকি! আকৌ যুদ্ধত পৰাস্ত হোৱা ৰজাই শিলালিপি জাৰি কৰা উদাহৰণ তেনেই বিৰল। তেন্তে কিয়, কোনে এইখন জাৰি কৰিছিল? গভীৰ অধ্যয়নে হয়তো এনে বহু প্ৰশ্নৰ উত্তৰ আমাৰ আগত মুকলি কৰি দিব।

৩) আলিছিঙা-টেঙানি শিলালিপি

প্ৰাচীন অসমীয়া লিপিৰ এইখন শিলালিপি উদ্ধাৰ হৈছিল গোলাঘাট জিলাৰ ৰৰপথাৰ অঞ্চলৰ আলিছিঙা টেঙানিত। অসমৰ পুৰাতত্ত্ব সঞ্চালকালয়ৰ প্ৰাক্তন সঞ্চালক ড° হেমেন্দ্ৰনাথ দত্তৰ তত্ত্বাৱধানত ইয়াক যোৰহাটলৈ অনা হৈছিল। দুযোৰ ভৰিৰ ছাপ (মনুষ পদ) থকা আয়তাকাৰ লিপিখনৰ আকাৰ ৭৯ চে. মি. × ৮ চে. মি. × ১৩ চে. মি.।

চাৰি শাৰী বাক্যৰ এই শিলালিপিখনৰ সবাতোকৈ অনন্য দিশটো হ'ল ভৰিৰ ছাপকেইটা। প্ৰায় ডেৰ চে. মি. দ ছাপকেইটা নিখুঁত আৰু হুবহু একে। ইয়াত খোদিত কথাখিনি মহাভাৰতৰ বনপৰ্ব, য'ত বগলী (বক্)ৰূপী যক্ষই যুধিষ্ঠিৰক প্ৰশ্ন কৰিছে আৰু সেই প্ৰশ্নৰ উত্তৰত যুধিষ্ঠিৰে পিতৃ-মাতৃক সৰ্বোচ্চ স্থানত থৈছে। এই দুটা কথাৰ পৰা এইখন স্মাৰক শিলালিপি (Memorial Inscription) বুলি অনুমান হয়। ইয়াৰ তৃতীয় শাৰীত থকা 'ৱত্ৰ বৰ্মন' নামটো তদানীন্তন শাসকৰ বুলি সিদ্ধান্ত লোৱা হৈছিল আৰু তেৱেঁই এইখন জাৰি কৰিছিল। হয়তো এই ছাপ শাসকৰ পিতৃৰ আছিল। শিলালিপিখনৰ সৈতে সম্পৰ্ক থকা আনুষংগিক প্ৰত্নতাত্ত্বিক সমলৰ সৈতে হোৱা তুলনামূলক বিশ্লেষণৰ পৰা এই পিতৃজন 'বসুন্ধৰ বৰ্মন' আছিল বুলি অনুমান

আলিছিঙা-টেঙানি শিলালিপি
সময় ঃ পঞ্চম শতিকাৰ মধ্যভাগ
পাঠোদ্ধাৰ ঃ ড° বি. বি. দে
আৰু ড° জয় প্ৰকাশ
স্থান ঃ জিলা সংগ্ৰহালয়, যোৰহাট

কৰা হৈছে। বসুন্ধৰ বৰ্মন ভগদত্তৰ ভাতৃ ব্ৰজদত্তৰ ঠেঙুলিৰ বংশধৰ আছিল, যাক 'উপৰিপত্তন' (বৰ্তমানৰ গোলাঘাট, দৈয়াং-ধনশিৰি উপত্যকা অঞ্চল) শাসনৰ দায়িত্ব দিয়া হৈছিল।

ভৰিৰ ছাপযুক্ত এনে শিলালিপি অসম কিয়, সমগ্ৰ ভাৰততেই বিৰল। ইয়াত 'মহাভাৰত'ৰ শ্লোকৰ উল্লেখ থকা কথাটোৱে তেতিয়াৰ ভাৰত ভূ-খণ্ডৰ সৈতে সাংস্কৃতিক বিনিময় তথা জীৱন দৰ্শন আৰু জীৱন দৰ্শনৰ উচ্চ মানৰ কথা উনুকিয়ায়।

৪) লংকা শিলালিপি

সময় ঃ ১২৪৪ শক অথবা ১৩২২ খ্ৰীষ্টাব্দ
পাঠোদ্ধাৰ ঃ ড° প্ৰতাপ চন্দ্ৰ চৌধুৰী
স্থান ঃ অসম ৰাজ্যিক সংগ্ৰহালয়, গুৱাহাটী

১৯৬০ চনত নগাঁও জিলাৰ লংকাৰ পৰা এই লিপিখন উদ্ধাৰ কৰা হৈছিল। কাৰ তত্ত্বাৱধানত এই লিপিখন ৰাজ্যিক সংগ্ৰহালয়লৈ স্থানান্তৰিত কৰা হৈছিল, সেয়া নিশ্চিত নহয় যদিও শিলাখণ্ডটো বহু দিন এটা পৰিয়ালত দা ধৰোৱা কামত ব্যৱহাৰ হৈ আছিল, যাৰ বাবে ই কিছু পৰিমাণে ক্ষয় যায়। ভূমিদান সম্পৰ্কীয় লিপিখনত মহামাণিক্য নামৰ এজন ৰজাই 'বামদেৱ' নামৰ গাঁওখনত দীন নামৰ দ্বিজ অৰ্থাৎ ব্ৰাহ্মণক ভূমি-দান কৰাৰ কথা উল্লেখ আছে। লিপিখনৰ আখৰৰ শাৰীকেইটাৰ তলতে দুটা জন্তুৰ চিত্ৰ ব্যাখ্যাসহ খোদিত হৈ আছে। এই জন্তু দুটাক ইয়াত বিষ্ণুৰ এটা অৱতাৰ গৰ্দভৰ মাতৃ অৰণ্য নিৱাসী এক শুকুৰী

অর্থাৎ বৰাহ বুলি কোৱা হৈছে। সেয়ে আদিমাতৃ বৰাহৰ পৰা উদ্ভৱ হোৱা বংশটোৰ নাম বৰাহী আৰু উল্লিখিত গৰ্দভৰে বংশজাত হ'ল ৰজা মহামাণিক্য। কপিলীপৰীয়া এই ৰাজ্যখন সম্ভৱতঃ বৰ্তমানৰ নগাঁও-হোজাই-লংকা অঞ্চলত আছিল।

এই বৰাহী ৰাজবংশ সম্পৰ্কীয় এইখনেই এতিয়ালৈকে উদ্ধাৰ হোৱা একমাত্ৰ শিলালিপি। তদুপৰি, 'পূৰ্বকবি অপ্ৰমাদী' বুলি শ্ৰীমন্ত শংকৰদেৱে অভিধা দি যোৱা মাধৱ কন্দলি আৰু তেওঁৰ পৃষ্ঠপোষক ৰজা মহামাণিক্যৰ সময় আৰু স্থানক লৈ যি এক অনিশ্চয়তা আছে, তাৰ সমাধানসূত্ৰ ইয়াতেই লুকাই আছে। গৱেষক পুলিন কলিতাই যুক্তিৰে ফঁহিয়াই দেখুৱাইছে যে লিপিত উল্লিখিত মহামাণিক্যই হৈছে মাধৱ কন্দলিৰ পৃষ্ঠপোষক নৃপতি যাৰ ৰাজসভাত তেখেত ৰাজকবি আছিল। অৱশ্যে কপিলী নদীৰ পাৰত ৰাজভোগ কৰা এইজনা মহামাণিক্য আৰু ডিমাছা কছাৰীৰ তৃতীয়জনা ৰজা মহামাণিক্য একেজন নহয়।

৫) সৰ্পস্তম্ভ

অসমৰ সংগ্ৰহালয়সমূহত সংৰক্ষিত হৈ থকা সবাতোকৈ কাৰুকাৰ্যখচিত আৰু পৃথক এই লিপিখন মূলতঃ এটা পূৰ্বে নিৰ্মিত স্তম্ভৰ ওপৰত খোদিত কৰা শিলালেখ। পূৰ্বে নিৰ্মিত হোৱা সূত্ৰে দুটা ৰাজবংশৰ ইতিহাস, এই স্তম্ভালেখৰ (শিলত কটা স্তম্ভত খোদাই কৰা হেতু) সৈতে জড়িত আছে— চুতীয়া আৰু আহোম। চুতীয়া শাসনৰ দিনত এই সৰ্পস্তম্ভটি নিৰ্মাণ কৰা হৈছিল। পাছত চুতীয়া ৰাজ্য আহোম শাসনাধীন হৈ থকাৰ সময়ত স্বৰ্গদেউ চুহুংমুঙে (১৪৯৭-১৫৩৯) টাই ভাষাৰ কথাখিনি স্তম্ভটিৰ গাত খোদাই কৰে। কথাখিনি মূলতঃ এক ঘোষণা বা চুক্তি, য'ত মিচিমিসকলে (অৰুণাচল প্ৰদেশৰ এটি জনগোষ্ঠী) আহোম ৰজাক চাৰি পাচি মিচিমি বিষ দিয়াৰ লগতে দিবাং নদীৰ দাঁতিৰ পৰ্বতীয়া ঠাইত পৰিয়াল, শিশু, পৰিচাৰক আৰু অনুগামীসকলৰ সৈতে বসবাস কৰিব বুলি উল্লেখ আছে। তদুপৰি পৰৱৰ্তী যিসকল শাসক হ'ব, তেওঁলোকে এই চুক্তি আৰু স্তম্ভ কোনোটোৱেই উলংঘা কৰিব নোৱাৰিব।



ছবিৰ কৃতজ্ঞতা ঃ অসম বাজিক সংগ্ৰহালয়, গুৱাহাটী

৫) সৰ্পস্তম্ভ
সময় ঃ লিপিৰ সময় ১৫৩২ খ্ৰীষ্টাব্দ
পাঠোদ্ধাৰ ঃ জনা নাযায়
স্থান ঃ অসম বাজিক সংগ্ৰহালয়, গুৱাহাটী

আঠকোণীয়া এই স্তম্ভটিৰ প্ৰাপ্তিস্থান শদিয়া। প্ৰকাণ্ড সাপ এডালে স্তম্ভটোৰ গুৰিৰ পৰা মূধলৈ মেৰিয়াই আছে। সাপৰ মুখখন মানৱাকৃতিৰ। ১৯২৮ চনত প্ৰকাশ পোৱা আসাম ডিষ্ট্ৰিক্ট গেজেটিয়াৰ্ছ (Assam District Gazetteers, 1928) অনুসৰি দিবাং আৰু দেওপানী নৈৰ মাজৰ সমতলভূমিত তথা শদিয়াৰ পৰা নিজাম ঘাটলৈ যোৱা পথটোৰ পূব দিশে থকা সপ্তমটো মাইলৰ খুঁটাত এইটোৰে সৈতে দুটা স্তম্ভ পোৱা গৈছিল। সময়ৰ সোঁতত তাৰে এটা হেৰাই গ'ল যদিও ইটো প্ৰশাসনীয় হস্তান্তৰৰ জৰিয়তে অসম ৰাজিক সংগ্ৰহালয় পায়হি। এই স্তম্ভ দুটা যি ঠাইত পোৱা গৈছিল, তাৰ কাষতে আছিল এখন শিলৰ সাঁকো তথা ইটাৰে পাৰ বন্ধা পুখুৰী। ব্ৰিটিছ গৱেষক এছ. এফ. হানয়ে এই সম্পৰ্কে বেংগলৰ এছিয়াটিক ছ'চাইটিৰ জাৰ্ণেলত লিখা এটা প্ৰবন্ধত ইয়াৰ লগতে ১৪ ফুট ওখ গড়ে আগুৰা এখন বৃহৎ নগৰৰ ধ্বংসাৱশেষ পোৱাৰ উল্লেখ কৰি গৈছে। হয়তোবা এই নগৰৰ প্ৰৱেশদ্বাৰৰ কোনোবাখিনিত স্তম্ভকেইটা স্থাপন কৰা হৈছিল। উল্লেখ্য যে উপৰিউক্ত পুখুৰীটোৰ ইটাত থকা বিশেষ চিহ্ন (Mason Mark), ১৪৪২ খ্ৰীষ্টাব্দৰ এখন প্ৰাচীৰত ব্যৱহাৰ হোৱা ইটাত থকা চিহ্নবোৰৰ সৈতে হুবহু একে আছিল বুলি এছ. এফ. হানয়ে লিখি থৈ গৈছে। চুতীয়া ৰজা মুক্ত ধৰ্মনাৰায়ণে ১৪৪২ খ্ৰী.ত এই প্ৰাচীৰখন নিৰ্মাণ কৰোৱাইছিল। আকৌ ইংৰাজ পৰিব্ৰাজক টি. ব্ৰকে এনে ধৰণৰ আন দুটা স্তম্ভ তাম্ৰেশ্বৰী মন্দিৰৰ চৌহদত দেখা পোৱাৰ কথা ১৯২৮ চনৰ আসাম ডিষ্ট্ৰিক্ট গেজেটিয়াৰ্ছত প্ৰকাশ হৈছে। গতিকে সৰ্পস্তম্ভটো চুতীয়া শাসনৰ লগত জড়িত কথাটোক লৈ কোনো দ্বিমত থাকিব নোৱাৰে। তদুপৰি কুণ্ডিলাকৃতিৰ সৰ্প দিক্কৰবাসিনী/তাম্ৰেশ্বৰী / কেঁচাইখাতীৰ (চুতীয়াসকলৰ উপাস্য দেবী) আন এটা ৰূপ কুণ্ডলিনীৰ প্ৰতীক হোৱা কথাটোৱেও এই ধাৰণা সজোৰে সমৰ্থন কৰে। যি কি নহওক, এই শিলালেখখনে এটা ৰাজবংশৰ শৌৰ্য-বীৰ্য তথা সাংস্কৃতিক পৰিভাষাক প্ৰতিনিধিত্ব কৰাৰ লগতে আহোম শাসনৰ কূটনৈতিক সম্পৰ্কৰ ওপৰত আলোকপাত কৰে। অৱশ্যে এতিয়ালৈকে উদ্ধাৰ নোহোৱা বাকীকেইটা স্তম্ভতো এনে কিবা লিপি আছিল নেকি, সেয়া জনা নাযায়।

৬) টেংৰাজান শিলালিপি (খণ্ডিত)
সময় ঃ জনা নাযায়
পাঠোদ্ধাৰ ঃ ড° ধৰ্মেশ্বৰ চুতীয়া
স্থান ঃ জিলা সংগ্ৰহালয়, যোৰহাট

অসম পুৰাতাত্ত্বিক সঞ্চালকালয়ৰ প্ৰাক্তন সঞ্চালক ড° হেমেন্দ্ৰনাথ দত্তৰ তত্ত্বাৱধানত গোলাঘাটৰ ৰৱপথাৰ মৌজাৰ

টেংৰাজনৰ পৰা এই খণ্ডিত শিলালিপিখন উদ্ধাৰ কৰি যোৰহাটলৈ অনা হৈছিল। ডিম্বাকৃতিৰ ক্ষুদ্ৰ এই শিল টুকুৰাৰ আকাৰ ১৫ চে. মি. × ৯ চে. মি. × ৬ চে. মি.। ড° ধৰ্মেশ্বৰ চুতীয়াই ইয়াত থকা সাতোটা চিহ্নক ব্ৰাহ্মীত লিখা থকা সংখ্যা বুলি কৈ ক্ৰমে '২, ৩, ১, ২, ০, ৭ আৰু ৮ বুলি চিহ্নিত কৰিছে। অৱশ্যে খণ্ডিত অৱস্থাত পোৱা বাবে ইয়াৰ প্ৰাসংগিকতা বা সময়সীমা এতিয়াও অন্ধকাৰৰ মাজতেই আছে।

উপৰিউক্ত ছখনৰ উপৰিও অসমৰ সংগ্ৰহালয়সমূহত থকা আন কেইখনমান শিলালিপি হ'ল দৈয়াং-ধনশিৰি উপত্যকাৰ পৰা উদ্ধাৰ হোৱা ভালেসংখ্যক লিপিযুক্ত শিলামূৰ্তি, নগাজৰি খনিকৰ গাঁৱৰ শিলালিপি, গছতল শিলালিপি, বিজয় স্তম্ভ বা নামজানি ফুকন (লাচিত বৰফুকন)ৰ শিলালিপি, ৰাজেশ্বৰ সিংহৰ ভূমিদানৰ শিলালিপি ইত্যাদি।

শিলালিপি অধ্যয়নৰ বিষয়টো যেনেদৰে জটিল, সমানেই আমোদজনকো। কেবাঘণ্টা, দিন-মাহজোৰা প্ৰচেষ্টাৰ অন্তত লিপি এখনৰ পাঠোদ্ধাৰ কৰি অতীত ৰহস্য সন্ধানৰ প্ৰক্ৰিয়াটো কিমান ৰোমাঞ্চকৰ, তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। অৱশ্যে এটা কথা ঠিক যে এই অধ্যয়ন এটা অন্তহীন প্ৰক্ৰিয়া। একেদৰে ইয়াত ভুল-শুদ্ধ, সঁচা-মিছাৰ ধাৰণাটো কিছু পৰিমাণে আপেক্ষিক হোৱাও দেখা যায়। সুখৰ বিষয় যে সম্প্ৰতি লিপি অধ্যয়নৰ বিষয়টোৰে ইতিহাস অনুৰাগীৰ মাজত বিশেষ জনপ্ৰিয়তা লাভ কৰিছে। ই এক শুভলক্ষণ। কিয়নো ইয়াৰ বাবেই বাটে-ঘাটে উদ্ধাৰ হৈছে ন-ন লুকাই থকা শিলালিপি, পাঠোদ্ধাৰৰ দ্বাৰা উদ্ধাৰ হৈছে ইতিহাসৰ ন-ন পৃষ্ঠা। ■

প্ৰসংগ পুথি

১। History, Art and Archaeology of Doiyang-Dhansiri Valley, Assam by Dr. H. N. Dutta, LDS Publication, 2012

২। অসমীয়া লিপিৰ ক্ৰমবিকাশ, ভাস্কৰ বৰদলৈ, অসম সাহিত্য সভা, ২০২০

৩। দিল্যি-ডিশিকা, সম্পাদনা অৰুণ কুমাৰ গোস্বামী, ২০২১

৪। মহামাণিক্য, মাধৱ কন্দলি আৰু এখন অনালোচিত শিলালিপি, পুলিন কলিতা ('অন্যযুগ' ই-আলোচনীত প্ৰকাশিত প্ৰবন্ধ)

৫। অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কেটেলগ

৬। ইণ্টাৰনেট

গৰীয়সী

গৰীয়সী-চন্দ্ৰপ্ৰসাদ শইকীয়া চুটিগল্প প্ৰতিযোগিতা - ২০২৩

'গৰীয়সী'ৰ প্ৰতিষ্ঠাপক সম্পাদক অসমৰ এগৰাকী খ্যাতনামা সাংবাদিক-সাহিত্যিক চন্দ্ৰপ্ৰসাদ শইকীয়াৰ স্মৃতিত প্ৰবৰ্তন কৰা **'গৰীয়সী-চন্দ্ৰপ্ৰসাদ শইকীয়া চুটিগল্প প্ৰতিযোগিতা'**ৰ বাবে পাণ্ডুলিপি আহ্বান কৰা হৈছে। এই প্ৰতিযোগিতাত নিৰ্বাচিত তিনিটা শ্ৰেষ্ঠ গল্পক মানপত্ৰসহ এনেধৰণে পুৰস্কৃত কৰা হ'ব ঃ

প্ৰথম পুৰস্কাৰ ঃ ১০,০০০.০০ (দহ হাজাৰ) টকা
দ্বিতীয় পুৰস্কাৰ ঃ ৭,০০০.০০ (সাত হাজাৰ) টকা
তৃতীয় পুৰস্কাৰ ঃ ৫,০০০.০০ (পাঁচ হাজাৰ) টকা

প্ৰতিযোগিতাৰ নিয়মাবলী

১। কেৱল মৌলিক স্বৰচিত চুটিগল্পহে এই প্ৰতিযোগিতাৰ বাবে বিবেচনাধীন হ'ব।
২। প্ৰতিযোগীসকলে স্বঘোষিত প্ৰমাণ-পত্ৰসহ চুটিগল্পৰ দুটাকৈ প্ৰতিলিপি তলৰ ঠিকনালৈ অহা ৩১ মে', ২০২৩ তাৰিখৰ ভিতৰত পোৱাকৈ পঠিয়াব লাগিব আৰু খামৰ ওপৰত **'গৰীয়সী-চন্দ্ৰপ্ৰসাদ শইকীয়া চুটিগল্প প্ৰতিযোগিতা-২০২৩'** বুলি উল্লেখ কৰিব লাগিব।
৩। প্ৰতিযোগীসকলৰ বয়স ১৮ৰ পৰা ৩৫ বছৰৰ ভিতৰতে হ'ব লাগিব আৰু আৱেদনৰ লগত বয়সৰ প্ৰমাণ-পত্ৰ দিব লাগিব।
৪। প্ৰতিযোগীসকলে পাছপ'ৰ্ট আকাৰৰ দুখন ফটো দিব লাগিব।
৫। প্ৰতিযোগীসকলে গল্পসমূহ শুদ্ধকৈ ডিটিপি কৰি পঠিয়াব লাগিব।
৬। এই প্ৰতিযোগিতা প্ৰতি বছৰে একে সময়তে অনুষ্ঠিত হ'ব।
৭। প্ৰতিযোগীসকলে নিজৰ হাতত প্ৰতিলিপি ৰাখিহে গল্প পঠিয়াব। অমনোনীত গল্প ঘূৰাই দিয়া নহ'ব।
৮। পুৰস্কৃত আৰু মনোনীত কেউটা গল্প 'গৰীয়সী'ত প্ৰকাশ কৰা হ'ব।
৯। 'গৰীয়সী'ৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি গণ্য কৰা হ'ব।
১০। **যোগাযোগৰ বাবে প্ৰতিযোগীসকলে বৰ্তমানৰ সম্পূৰ্ণ ঠিকনা আৰু ম'বাইল নম্বৰ দিব লাগিব।**

প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা উপযুক্ত আৰু ইচ্ছুক প্ৰতিযোগীসকলে নিয়মাবলী অনুসৰি গল্পসমূহ তলৰ ঠিকনাত পঠিয়াব পাৰিব।

সম্পাদক, 'গৰীয়সী'
গৰীয়সী-চন্দ্ৰপ্ৰসাদ শইকীয়া চুটিগল্প প্ৰতিযোগিতা-২০২৩
ট্ৰিবিউন ভৱন, গুৱাহাটী-৭৮১ ০০৩